# কেঁচু সাৰেৰে সফলতা লাভ কৰা ঔদ্যোগী

## সঞ্জীৱ কুমাৰ গোস্বামীৰ কথাৰে...

সদায় নিজে কিবা এটা উৎপাদন কৰাৰ প্ৰৱল ইচ্ছা আৰু অগতানুগতিক এটা কৰাৰ উদ্দেশ্যে ২০০২ চনৰ ডিচেম্বৰৰ শেষৰ সপ্তাহত নগাঁও জিলা কৃষি কাৰ্য্যালয়ত উপস্থিত হওঁ - উদ্দেশ্যে ফুলখেতি কৰা। প্ৰথমতে মই চৰকাৰৰ পৰা ১৩,০০০ টকা অনুদান লৈ নাৰ্জি ফুলৰ খেতি আৰম্ভ কৰো। চৰকাৰৰ এই সাহায্যই মোক যথেষ্ট সকাহ দিয়াৰ লগতে মোক আগবাঢ়িবলৈ অনুপ্ৰাণিত কৰিছিল। এই ক্ষেত্ৰত মোক আন এজন ব্যক্তি শ্ৰীমহেশ্বৰ শৰ্মা বৰঠাকুৰ প্ৰমুখ্যে কৃষি বিভাগৰ ড০ প্ৰনৱ মহন্ত, শ্ৰীদীপক তামুলি, শ্ৰীমুকুলমনি শইকীয়া, শ্ৰীপ্ৰফুল্ল মহন্ত প্ৰমুখ্যে বিষয়াসকলে বিভিন্ন দিহা পৰামৰ্শৰে সহায় কৰিছিল। জুন, জুলাই মাহত নাৰ্জি ফুল বেচি আমি গড়ে ১০০ ফুলত ৫০/- টকাকৈ পাবলৈ সক্ষম হৈছিলো।

ঠিক সেইদৰে জৈৱিক খাদ্যৰ চাহিদালৈ চাই মই বাৰ্লাকি বায়'টেক নামৰ প্ৰতিষ্ঠান গঢ়ি কেঁচুসাৰ উৎপাদনত ব্ৰতী হওঁ। চৰকাৰৰ ফালৰ পৰা দিয়া ৩০,০০০/- টকাৰ যথোচিত ব্যৱহাৰ কৰি বৰ্ত্তমান আমাৰ প্ৰতিষ্ঠানটো অসমৰ অন্যতম কেঁচুসাৰ উৎপাদন কেন্দ্ৰলৈ ৰূপান্তৰিত কৰিছো। চৰকাৰী আঁচনিৰ প্ৰয়োজনীয়তাত কৃষি সঞ্চালকৰ নিৰ্দেশ অনুযায়ী অসমৰ প্ৰায় কেইখন জিলাতে আমাৰ প্ৰতিস্থানৰ পৰা উৎকৃষ্ট কেঁচুসাৰ আৰু সাৰ উৎপাদনৰ বাবে প্ৰয়োজনীয় কেঁচুও যোগান দিব পাৰিছো। মীন উন্নয়ন নিগমৰ মেটেকাৰ পৰা কেঁচুসাৰ উৎপাদনৰ কাৰ্য্যটো আমি জড়িত হৈ আছো। ইতিমধ্যে আমাৰ সঞ্চিত অভিজ্ঞতাৰে কেঁচুসাৰ উৎপাদনৰ এখনি হাত পুঠিও নিজে লিখি উলিয়াইছো। ইতিমধ্যেই আমাৰ উৎপাদন কেন্দ্ৰটি প্ৰশিক্ষণ স্থলীলৈও ৰূপান্তৰ হৈছে। কিয়নো ৰহাৰ মীন মহাবিদ্যালয়লৈ অহা অসমৰ বিভিন্ন ঠাইৰ প্ৰশিক্ষাৰ্থী সকলৰ লগতে স্থানীয় মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক ইয়াতে সাৰ উৎপাদনৰো প্ৰশিক্ষণ দিয়া হয়। আমাৰ এই কেন্দ্ৰটিত ভাৰতৰ বিভিন্ন ঠাইৰ ব্যক্তিৰ পদাৰ্পণ হোৱাৰ লগতে বিদেশৰ ব্যক্তিয়েও ভূমুকি মাৰিছে। এই সকলৰ ভিতৰত প্ৰফেচাৰ জে.এম. জুলকা, স্থানীয় মন্ত্ৰী শ্ৰীৰকিবুল হুছেইন, শ্ৰীভাস্কৰ মহন্ত, মুখ্যমন্ত্ৰীৰ উপদেষ্টা ড০ তপন দত্ত, শ্ৰীচন্দ্ৰ কান্ত দাস IAS, শ্ৰীভি পিপাৰচেনিয়া, IAS , শ্ৰীপৱন বৰঠাকুৰ IAS, শ্ৰীদেৱেশ্বৰ মালাকাৰ, শ্ৰীফিৰোজা মেহৰোত্ৰা, IAS, Mr. Grahem Dicsi (World Bank Officer), ড০ হৰ্ষজ্যোতি বৰুৱা আদি সকলে আমাৰ কামৰ প্ৰশংসা কৰাৰ লগতে বিশেষকৈ দীপাৱলীৰ পিছদিনা চহৰখনত সিঁচৰিত হৈ থকা কলগছ সমূহ আনি আমি আমাৰ কেঁচা সামগ্ৰী হিচাপে ব্যৱহাৰ কৰা দেখা পাই অতিশয় আনন্দ প্ৰকাশ কৰাৰ লগতে আমাৰ কামৰ ভূয়সী প্ৰশংসা কৰে।

